# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০৩

## খণ্ড - ১

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# মূল্যায়ন ঃ ১০

**আন্তঃগাঠনি ঃ**

১০.০ আৰম্ভণি

১০.১ শিকন উদ্দেশ্য

১০.২ বৰ্তমান মূল্যায়নৰ পদ্ধতি

১০.৩ মূল্যায়নৰ প্ৰয়োজনীয়তা

১০.৪ ভাষা শিক্ষাত মূল্যায়নৰ বিভিন্ন দিশ

১০.৪.১ শ্ৰৱণ আৰু কথন

১০.৪.২ লিখন

১০.৪.৩ প্ৰকাশশৈলী বা প্ৰকাশভংগী

১০.৫ ভাষা শিক্ষাত মূল্যায়ন পদ্ধতি

১০.৫.১ মৌখিক মূল্যায়ন

১০.৫.২ পৰ্যবেক্ষণ

১০.৫.৩ লিখিত মূল্যায়ন

১০.৬ গল্প, কবিতা আৰু নাটকৰ মূল্যায়নৰ বাবে নিৰ্ধাৰিত কাৰ্যকলাপ

১০.৬.১ কবিতা

১০.৬.২ গল্প

১০.৬.৩ নাটক

১০.৭ সামৰণি

১০.৮ উপৰঞ্চি পঠন আৰু উপৰঞ্চি গ্ৰন্থপঞ্জী

১০.৯ পাঠভিত্তিক কাৰ্যকলাপ/ক্ৰিয়াকলাপ

# মূল্যায়ন

**১০.০ আৰম্ভণি ঃ**

এই পাঠটিত, আমি ভাষা শিক্ষাৰ শ্ৰেণীকোঠাত কেনেদৰে মূল্যায়ন প্ৰক্ৰিয়াটো চলাই নিয়া হয় সেই বিষয়ে আলোচনা কৰিম। মূল্যায়ন কি আৰু ইয়াত নিহিত উপাদানসমূহ কি? ভাষা-শিক্ষাত গুৰুত্ব দিবলগীয়া কথাবোৰ কি? তাৰোপৰি বৰ্তমান প্ৰচলিত মূল্যায়ন পদ্ধতি আৰু বৰ্তমান প্ৰচলিত মূল্যায়ন পদ্ধতিয়ে মূল্যায়নৰ উদ্দেশ্যসমূহ বাস্তবায়িত কৰিব পাৰিছেনে নাই সেই বিষয়ে বিতংভাৱে এক যোগাত্মক আলোচনা কৰিম। ইয়াৰোপৰি কিছুমান বিকল্প মূল্যায়ন পদ্ধতিৰ বিষয়ে আলোচনা কৰা হ'ব যিয়ে শিকাৰ প্ৰতি (ল'ৰা-ছোৱালীৰ) শিশুক অমনোযোগী হোৱাত উদগণি নযোগায়। মূল্যায়ন পদ্ধতিয়ে (ল'ৰা-ছোৱালীক) শিশুৰ আত্মবিশ্বাস আৰু সামৰ্থতা (দক্ষতা) বৃদ্ধিত উৎসাহিত কৰা উচিত। মূল্যায়ন পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়কে লাভাবান্বিত কৰে। গঠনমূলক মূল্যায়নৰ বাবে কেনেকুৱা কাৰ্যকলাপ আৰু প্ৰশ্নৰ প্ৰয়োজন সেইবিষয়েও এই পাঠটিত আলোচনা কৰা হ'ব।

**১০.১ শিকন উদ্দেশ্য ঃ**

পাঠটি অধ্যয়ন কৰাৰ পিছত তোমালোকে এই বিষয়ে জানিব পাৰিবা—

- বৰ্তমান মূল্যায়ন প্ৰক্ৰিয়াটোৰ ফলাফলৰ বিষয়ে বোধগম্য হোৱা
- মূল্যায়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে বোধগম্য হোৱা
- ভাষা-সামৰ্থতা বা ভাষা দক্ষতা মূল্যায়ন কৰা বিভিন্ন পদ্ধতিৰ বিষয়ে বিশ্লেষণ কৰা

**১০.২ মূল্যায়নৰ বৰ্তমান প্ৰচলিত পদ্ধতি ঃ**

বৰ্তমানৰ মূল্যায়ন পদ্ধতিয়ে মূল্যায়নৰ উদ্দেশ্য সফলভাৱে ৰূপায়িত কৰিব পাৰিছিনে? এই পদ্ধতিয়ে কোনবোৰ ক্ষেত্ৰ আচলতে মূল্যায়ন কৰা দৰকাৰ সেইবোৰ লক্ষ্য ৰাখিছেনে। বৰ্তমানৰ মূল্যায়ন পদ্ধতিৰ বিষয়ে বোধগম্য হ'বলৈ আমি ভাষা শিক্ষাৰ শ্ৰেণী এটাৰ বিষয়ে বিশ্লেষণ কৰিম।

**উদাহৰণ - ২**

প্ৰাথমিক বিদ্যালয় এখনত তৃতীয় শ্ৰেণীত শিক্ষকে এটা পৰীক্ষা ল'লে। ৩০ জন ছাত্ৰ ছাত্ৰীৰে ভৰি থকা শ্ৰেণীত শিক্ষকে কিতাপৰ পৰা এটা গল্প/সাধু ক'বলৈ ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দেশ দিলে।

ময়ংকৰ বাহিৰে আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে সাধুটো পুনৰাবৃত্তি কৰিলে আৰু ১০ৰ ভিতৰত ৬ পালে। প্ৰকৃতিয়ে ৮ আৰু ময়ংকই ২ পালে। শিক্ষকে যেতিয়া সকলোৰে নম্বৰসমূহ শ্ৰেণীত ক'লে তেতিয়া আন ছাত্ৰ-ছাত্ৰীসকলে ময়ংকক হাঁহিবলৈ ধৰিলে আৰু জোকালে। ময়ংক খুব অপ্ৰস্তুত আৰু দুখী হ'ল। ময়ংকই তাৰ নম্বৰ কমাৰ কাৰণটো জানিব বিচাৰিলে, শিক্ষকজনে ক'লে, 'মই কিতাপৰ পৰা সাধুটো ক'ব দিব দিছিলো, তোমাৰ মনত যি আহে সেইটো ক'ব দিয়া নাই।' ইয়াৰ পিছত ময়ংক যিকোনো কাৰ্যতে উৎসাহেৰে যোগদান নিদিয়া হ'ল আৰু পিছদিনা বিদ্যালয়লৈ আহিবলৈ মন নকৰা হ'ল। ময়ংকক বিদ্যালয়ত পঠাবলৈ মাক-দেউতাকৰ বাবে খুব কঠিন হৈ পৰিল।

**উদাহৰণ - ২**

তৃতীয় শ্ৰেণীত ভাষা শিক্ষাৰ পাঠদানৰ এটি উদাহৰণ। শিক্ষকে ছাত্ৰ-ছাত্ৰীক 'গৰু'ৰ ওপৰত ৫টা বাক্য বহীত লিখিবলৈ কৈছিল। বাক্যকেইটা হ'ল—

(১) গৰু আমাৰ মাতৃ

(২) গৰুৰ ঠেং চাৰিখন

(৩) গৰুৱে সেউজীয়া ঘাঁহ খায়

(৪) গৰুৱে গাখীৰ দিয়ে

(৫) গৰুৰ গোবৰৰ দ্বাৰা সাৰ বনোৱা হয়।

শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঁচশাৰী বাক্য মুখস্থ কৰি পৰীক্ষাত লিখিবলৈ ক'লে। প্ৰতিটো বাক্যৰ বাবে (১) নম্বৰ ধাৰ্য কৰা হৈছে আৰু যিজন শিক্ষাৰ্থীয়ে গোটেইবোৰ বাক্য লিখিব পাৰিব তেওঁ সম্পূৰ্ণ নম্বৰ (৫) পাব।

নিৰ্দেশ অনুসৰি প্ৰতিজন শিশুৱে মুখস্ত কৰি বাক্যকেইটা শিক্ষকে দিয়া অনুসৰি লিখিলে। কিন্তু নীলমৰ বাক্য পাঁচশাৰী শিক্ষকে দিয়াতকৈ অলপ বেলেগ হ'ল। বাক্য কেইশাৰী এনে ধৰণৰ—

(১) গৰু আমাৰ মাতৃ

(২) গৰুৰ চাৰিখন ঠেং আছে

(৩) আমাৰ ঘৰত বহুকেইটা গৰু আছে

(৪) গৰুৰ গাখীৰে আমাক অৰ্থ উপাৰ্জনত সহায় কৰে

(৫) জিতুৰ গাইগৰুটোৰ এটা পোৱালী আছে।

নীলমৰ বাহিৰে আটাইবোৰ শিক্ষাৰ্থীয়ে ৫ নম্বৰ পালে। নীলমে যদিও তাইৰ গোটেইবোৰ বাক্য কোনো ভুল নাছিল তথাপি ২ নম্বৰহে পালে।

উপৰোক্ত দুয়োটা উদাহৰণে আমাৰ দেশত প্ৰচলিত মূল্যায়ন পদ্ধতিৰ এটা নমুনা দেখাইছে। এই ধৰণৰ মূল্যায়ন পদ্ধতিয়ে শিক্ষাৰ্থীৰ মনত ভয়, শংকা, উৎকণ্ঠা, তিৰস্কৃত এনে ধৰণৰ বিৰূপ প্ৰভাৱ পেলায়। অকল মুখস্থ বিদ্যা আৰু হুবহু বৰ্ণনা কৰা পদ্ধতিয়ে কেতিয়াও দক্ষতা প্ৰমাণ কৰিব নোৱাৰে।

মূল্যায়ন পদ্ধতিয়ে শিশুৰ কল্পনা শক্তি আৰু সৃষ্টিশীল গুণক অগ্ৰাধিকাৰ দিয়া উচিত।

বৰ্তমান মূল্যায়ন পদ্ধতি এক গতানুগতিক ধাৰাত প্ৰচলিত। এক নিৰ্দিষ্ট সময় আৰু বিৰতিৰ অন্তৰালত এই পৰীক্ষা পদ্ধতি অনুষ্ঠিত কৰা হয়। মৌখিক পৰীক্ষাৰ বাবে এদিন আৰু লিখিত পৰীক্ষাৰ এক নিৰ্দিষ্ট সময়সীমা ধাৰ্য কৰা হয়। এই ধৰণৰ পৰীক্ষা পদ্ধতিয়ে কেৱল শিক্ষাৰ্থীৰ মনত এক প্ৰকাৰ ভয় আৰু উৎকণ্ঠাৰ সৃষ্টি কৰে। এই ধৰণৰ মূল্যায়ন পদ্ধতি শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰা পৃথক এক বেলেগ প্ৰক্ৰিয়া যেন অনুভৱ হয়। এই পদ্ধতিত প্ৰশ্নকাকত বেলেগৰ দ্বাৰা প্ৰস্তুত কৰা হয় আনহাতে শিক্ষণ পদ্ধতি বেলেগৰ দ্বাৰা চলোৱা হয়। প্ৰশ্নকাকত প্ৰস্তুত কৰা ব্যক্তিগৰাকীয়ে শিক্ষাৰ্থীৰ পৰিৱেশ, তেওঁলোকে শিকা আৰু কৰি থকা কাৰ্যৰ উমান নাপায়।

**উন্নতিৰ খতিয়ান— ১**

১. বৰ্তমান প্ৰচলিত পৰীক্ষা পদ্ধতিত শিশুসকলৰ বাবে কোনটো অৱস্থা সম্ভৱ নহয়।

ক) উৎকণ্ঠাপূৰ্ণ অৱস্থা

খ) নিৰপত্তাহীনতা

গ) ভয় আৰু তিৰস্কৃত হোৱাৰ অৱস্থা

ঘ) উপভোগ কৰাৰ অৱস্থা

২. শিক্ষক হোৱা হ'লে, তুমি ময়ংকৰ উত্তৰৰ কেনেকৈ মূল্যায়ন কৰিলাহেঁতেন?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. নীলমে কম নম্বৰ পোৱাৰ কাৰণবোৰ কি বুলি ভাবা? এইটো সঠিক হৈছেনে? বিস্তৃতভাৱে আলোচনা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ১০.৩ মূল্যায়নৰ প্ৰয়োজনীয়তা কি?

শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে আহিলাস্বৰূপ মূল্যায়নৰ প্ৰয়োজন আছে। শিক্ষাগ্ৰহণত ছাত্ৰ-ছাত্ৰীয়ে কিমান উন্নতি কৰিছে তাক চাবলৈ পৰীক্ষাৰ প্ৰয়োজন। মূল্যায়ন পদ্ধতিয়ে এহাতে এজন শিশুৱে তেওঁৰ সামৰ্থতা, প্ৰয়োজনীয়তা শিকনৰ দ্ৰুততা, বৰ্তমান শিকন স্তৰ আদিৰ ভিত্তিত কিমানখিনি কৰিব পাৰিছে সেইটো বিচাৰ কৰে। অন্যহাতে শিক্ষকক তেওঁ শিক্ষাৰ্থীৰ সৈতে কি কৰা উচিত তাক জনাত (বুজাত) সহায় কৰে।

মূল্যায়ন পদ্ধতিয়ে অকল শিশুৰ নম্বৰ মাপকাঠি জোখাটো উচিত নহয়। মূল্যায়নৰ লক্ষ্য যোগ্যতাৰ ভিত্তিত (নম্বৰভিত্তিত শ্ৰেষ্ঠ আৰু দুৰ্বলতাৰ তালিকা প্ৰস্তুত কৰাটো হ'ব নালাগে। মূল্যায়নৰ উদ্দেশ্য শিক্ষকে নিজৰ শিক্ষণ প্ৰক্ৰিয়াত ভুল-ত্ৰুটিখিনি বুজি লৈ শ্ৰেণীকোঠাত নিজৰ শিক্ষকতাৰ পিছৰ পৰ্যায় কি হোৱা উচিত তাক ঠিক কৰাত সহায় কৰে। মূল্যায়নেৰে শিশুক নিজৰ উন্নতি আৰু নিজৰ ভিতৰত হোৱা পৰিৱৰ্তন বুজি পোৱাত সহায় কৰা উচিত। মূল্যায়নে শিক্ষক আৰু অভিভাৱকক তেওঁলোকৰ ল'ৰা-ছোৱালীৰ প্ৰয়োজন কি সেইটো জনাত সহায় কৰে আৰু ল'ৰা-ছোৱালীৰ দক্ষতা বৃদ্ধিৰ বাবে কি কৰা উচিত। বৰ্তমান প্ৰচলিত মূল্যায়ন পদ্ধতিয়ে শিশুৰ উত্তীৰ্ণ আৰু অনুত্তীৰ্ণৰ হাৰ বিচাৰ কৰে লগতে প্ৰাপ্ত নম্বৰৰ ওপৰত গুৰুত্ব দিয়ে। কিন্তু মূল্যায়নৰ পৰিসৰ ইয়াতেই সীমাবদ্ধ নহয়। মূল্যায়ন পদ্ধতিত কৃতকাৰ্যতাৰ মাপকাঠি নিৰ্ধাৰণ কৰাতকৈ, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বেছি ফলপ্ৰসু কৰাতহে গুৰুত্ব দিব লাগে। উদাহৰণস্বৰূপে, যেতিয়া এজন ভাল শিক্ষাৰ শিক্ষকে যেতিয়া পৰীক্ষা কৰে তেওঁ এইখিনি কথাৰ ওপৰত গুৰুত্ব দিয়ে যেনে শিশুজনে কিমানখিনি পঢ়িছে? কেনেকৈ পঢ়িছে? স্পষ্টভাৱে আৰু গতিশীলভাৱে আৰু প্ৰয়োজনীয় বিৰাম সহ পঢ়িব পাৰিছেনে? শ্ৰৱণ কৰা কথাখিনি কিমানখিনি শিশুৰ বোধগম্য হৈছে, কিমান আত্মবিশ্বাসেৰে শিশুৱে নিজকে প্ৰকাশ কৰিব পাৰিছে? শিশুজনে লিখনিৰ জৰিয়তে নিজকে প্ৰকাশ কৰিব পাৰিছেনে? শিশুৰ শব্দ-ভাণ্ডাৰ কিমান আৰু বাক্য গঠনত তেওঁৰ নিয়ন্ত্ৰণ আছেনে নে নাই? ইত্যাদি মূল্যাংকনে শিকন প্ৰক্ৰিয়াৰ গতি আৰু দিশ বিস্তৃতভাৱে বুজি পোৱাত আমাক সহায় কৰে। উদাহৰণস্বৰূপে, যদি আমি শিশু এজনৰ পঠনত অসমৰ্থতা দেখা পাওঁ তেন্তে ইয়াৰ কাৰণ কি সেইটো চাব লাগিব। হয়তো শিশুজনে আখৰবোৰ ভালদৰে চিনি পোৱাত অসমৰ্থ অথবা শব্দবোৰ পঢ়াৰ সমৰ্থতা গঢ়িব পৰা নাই অথবা বাক্যবোৰ একোটা অৰ্থপূৰ্ণ অৰ্থৰ সমষ্টি হিচাপে পৰা নাই। অথবা শব্দ গোটাই পঢ়াৰ অভ্যাসে কি পঢ়িছে সেইটো অৰ্থপূৰ্ণভাৱে বুজি পোৱাত অসমৰ্থ কৰিছে। শিশু এজনক ভালদৰে বুজি পাবলৈ এই সকলোবোৰ দৰকাৰী তথ্য জনাৰ আমাৰ প্ৰয়োজন আছে।

আমি শিশু এজনৰ পঠন আৰু ভাষাৰ বোধগম্যতাৰ বিষয়ে আলোচনা কৰিলো। এই তথ্যবোৰ আমি ভালদৰে সংৰক্ষণ কৰিব লাগিব। মূল্যায়নৰ সময়ত আমি শিশুজনৰ ওপৰত আমাৰ মতামত বৰ্ণনা কৰা উচিত। মতামতবোৰ বিস্তৃত নহ'লেও স্পষ্ট হোৱা প্ৰয়োজন। প্ৰতিটো মতামতে (শিশুজনৰ ওপৰত) সুন্দৰভাৱে পৰিস্ফুট হোৱা উচিত যেনে পৰ্যবেক্ষণ কৰি থকা সময়ত কি দেখা গৈছিল।

উদাহৰণস্বৰূপে প্ৰথম শ্ৰেণীত নতুনকৈ ভৰ্তি হোৱা শিশুজনৰ ওপৰত দিয়া 'জয়াৰ কিতাপৰ প্ৰতি আগ্ৰহ আছে'— এই মতামতটো সীমিত আৰু অসম্পূৰ্ণ।

উপৰোক্ত মতামতটো এনে ধৰণে উপস্থাপন কৰিব পাৰি— 'জয়াই কিতাপৰ প্ৰতি আগ্ৰহ দেখুৱাইছে। তাই বহুত সময় ধৰি পঢ়া কোঠাত কিতাপবোৰলৈ চাই থাকে। তাৰ পিছত তাই কিতাপ এখন হাতত উঠাই লয় আৰু বহু সময় ধৰি কিতাপখন লুটিয়াই ফটোবোৰ এটা এটাকৈ চাই থাকে। এইখন এখন জন্তুৰ ওপৰত থকা কিতাপ'।

এনেকুৱা ধৰণৰ মূল্যায়নে শিশুজনৰ আচৰণ পৰিস্ফুট কৰে আৰু প্ৰকৃতাৰ্থত কি ঘটিছে সেইটো ভালদৰে দেখুৱায়। ই মাত্ৰ এটা মতামত নহয়। যদি শিশু এজনৰ ওপৰত দুইৰ পৰা চাৰিমাহ ধৰি এনেকুৱা ধৰণে ৭-৮ টাকৈ মতামত দিয়া যায় তেতিয়াহে শিশুজনৰ ভাষাৰ দক্ষতা বিতংভাৱে জনা যাব। শিক্ষণ-শিকন প্ৰক্ৰিয়াত

শিশুজনে কি শিকিছে তাক নিৰ্ধাৰণ কৰা উচিত। ইয়ে এই প্ৰক্ৰিয়াৰ প্ৰকৃত ৰূপটো দেখুৱায়।

উদাহৰণস্বৰূপে আমি পঠন প্ৰক্ৰিয়াৰ জটিলতা আৰু সেই জটিলতা কেনেকৈ আঁতৰ কৰিব পৰাকৈ সমাধান উলিয়াব লাগে।

শিশু এজনক পঠন কৰিবলৈ শিকোৱাৰ আগতে আমি পঠন প্ৰক্ৰিয়াৰ লগত জড়িত কাৰ্য আৰু ক্ৰিয়াকলাপ অথবা পঠন প্ৰক্ৰিয়াৰ বাবে বিভিন্ন পদ্ধতি তৈয়াৰ কৰিব লাগিব। মূল্যায়নত আমি শিশুৰ পূৰ্বযোগ্যতাৰ লগত বৰ্তমানৰ যোগ্যতা তুলনা কৰিব লাগে। যোগ্যতা বা দক্ষতাৰ তুলনা এজন শিশুৰ আন এজন শিশুৰ সৈতে কৰা অনুচিত। কাৰণ প্ৰতিজন শিশুৰে শিকন সামৰ্থতা আৰু শিকনৰ সময় আৰু পৰিবেশ বেলেগ বেলেগ। উদাহৰণস্বৰূপে কিছুমান শিশুৱে সহজতে পঢ়িব অথবা বুজিব পাৰে আৰু প্ৰকাশ কৰিব পাৰে কিন্তু জটিল বিষয়বোৰ অলপ দেৰিকৈ শিকে এই ক্ষেত্ৰত আমি প্ৰতিজন শিশুকে উৎসাহিত কৰা উচিত। অকল সেইসকলৰ শিশুক, যিসকলে সহজে আয়ত্ত কৰে শিকোৱা উচিত নহয়। মূল্যায়ন এবাৰ কৰা কাম অথবা তিনি মাহৰ অন্তৰে অন্তৰে কৰা কাৰ্য নহয়; ই এক জীৱনযোৰা প্ৰক্ৰিয়া।

**উন্নতিৰ খতিয়ান— ২**

১. মূল্যায়নৰ সময়ত আমি কি কৰা উচিত? (যিকোনো এটাত ✓চিন দিয়া)

ক) শিশুৰ পূৰ্বজ্ঞানৰ লগত বৰ্তমান উন্নতিৰ তুলনা কৰা

খ) এজন শিশুৰ আন এজনৰ তুলনা কৰা

গ) শিশুজনক আন এজন দ্ৰুতগতিত আৰু বেছিকৈ শিকা শিশুৰ লগত তুলনা কৰিব লাগে।

ঘ) যিবিলাক শিশুৱে দ্ৰুত গতিত কথন প্ৰক্ৰিয়াত উন্নতি কৰে তেওঁলোকৰ লগত শিশুৰ উন্নতি তলুনা কৰিব লাগে।

২. মূল্যায়ন প্ৰক্ৰিয়া কিয় শিশুকেন্দ্ৰিক হ'ব লাগে। তেনেকুৱা প্ৰক্ৰিয়াৰ সুবিধাবোৰ কি কি?

............................................................................................................

............................................................................................................

............................................................................................................

৩. শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ লগত মূল্যায়নৰ সম্পৰ্ক কি? নিজৰ যুক্তি দিয়া।

............................................................................................................

............................................................................................................

............................................................................................................

৪. তোমালোকে পাঠত শিশু এজনৰ পঠন দক্ষতাৰ ওপৰত দিয়া মতামতটো পঢ়িলা। এতিয়া শিশু এজনক পৰ্যবেক্ষণ কৰি তেওঁৰ লিখন দক্ষতাৰ ওপৰত তোমাৰ মতামত লিখা। তোমাৰ মতামতৰ ভিত্তি কি লিখা।

.............................................................................................................

.............................................................................................................

.............................................................................................................

**১০.৪ ভাষা শিক্ষাৰ মূল্যায়নৰ দিশ ঃ**

'শুদ্ধ' ব্যাকৰণ আৰু 'শুদ্ধ' উচ্চাৰণ অথবা লিখনিৰ 'শুদ্ধতা' এইবোৰত 'শুদ্ধ' শব্দৰ ব্যৱহাৰ 'শুদ্ধ আৰু প্ৰকৃত ভাষাৰ ব্যৱহাৰ' বুলি অভিহিত কৰা হয়। আনহাতে যি সামৰ্থতা গুণে শিশুক ক'বলৈ, পঠন কৰিবলৈ আৰু সুন্দৰকৈ লিখিবলৈ আৰু প্ৰকাশ কৰিবলৈ সহায় কৰে তাকে গতিশীলতা (fluency) বোলে। ব্যাকৰণিক ভুলতকৈ ইয়াত অৰ্থ আৰু বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিয়া হয়।

প্ৰাথমিক স্তৰত গতিশীলতাৰ (fluency)-ওপৰতহে মূল্যায়ন হ'ব লাগে। শুদ্ধতা (correctness) আৰু যথাৰ্থতা (accuracy)-ৰ পৰিমাপ পিছত কৰা উচিত। প্ৰাথমিক স্তৰৰ পিছত আমি শুদ্ধতা (correctness) আৰু গতিশীলতা (fluency) দুয়োটাৰে ওপৰত সামঞ্জস্যতা ৰক্ষা কৰিব পাৰো অথবা দুয়োটা বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত।

মূল্যায়ন প্ৰক্ৰিয়াৰ দ্বাৰা শিশুৰ ভাষা দক্ষতা জানিবলৈ বিচৰা হয়। মূল্যায়নৰ আৰম্ভণিতে পৰীক্ষকজনে চাব লাগিব যাতে শিক্ষাৰ্থীয়ে এই দক্ষতা বৃদ্ধিৰ বাবে বাৰে বাৰে বিভিন্ন সুযোগ পায়। যদি দক্ষতা বৃদ্ধিৰ বাবে তেনে সুযোগে পোৱা নাই তেন্তে মূল্যায়ন ভিত্তিহীন। এই পাঠটিত 'ভাষা দক্ষতা' মানে কি তাক এটা এটাকৈ আলোচনা কৰা হ'ব। শিক্ষক হিচাপে যদি মূল্যায়ন কৰিব বিচৰা তেন্তে প্ৰতিটো ভাষা দক্ষতা বা কৌশলৰ বাবে পৃথকে পৃথকে ক্ৰিয়াকলাপ প্ৰস্তুত কৰা প্ৰয়োজন নাই। এবিধ ক্ৰিয়াৰ জৰিয়তে তিনিটা বা চাৰিটা বা তাতকৈ বেছি দক্ষতাৰ পৰিমাপ কৰিব পাৰি। আমি তলত দিয়া প্ৰধান ভাষা দক্ষতাসমূহৰ মূল্যায়ন কৰিব পাৰো।

**১০.৪.১ শ্ৰৱণ আৰু কথন ৰীতি ঃ**

শিশুৱে এখন ছবি বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব লাগে। সিহঁতে নিজকে মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু তেওঁলোকে শুনা কথাত নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব লাগে। শুনা কথা অৰ্থাৎ কথোপকথন, বক্তৃতা অথবা আলোচনাৰ মাধ্যমত হ'ব পাৰে। তেওঁলোকৰ পৰা বিচৰা প্ৰশ্নৰ উত্তৰ শুদ্ধ শব্দ ব্যৱহাৰ কৰি আৰু সম্পূৰ্ণ বাক্যৰ আধাৰত দিবলৈ সমৰ্থ হ'ব লাগে। কিছুমান জনা কথা (তথ্য), ব্যক্তিৰ বিষয়ে অথবা ঘটনা সুন্দৰকৈ উপস্থাপন কৰিব পাৰিব লাগে।

**১০.৪.২ বোধগম্যতাৰ সৈতে পঠন ঃ**

বোধগম্যতা সহ প্ৰতিটো শব্দ আৰু বাক্যৰ পঠন প্ৰয়োজনীয়। আৰম্ভণিতে আমি শব্দবোৰ চিনি পোৱাৰ দক্ষতা আহৰণ কৰিবলৈ আৰু তাৰ পিছত বোধগম্যতা সহ পঠন কৰিবলৈ শিকাব লাগিব। ক্ৰমে

শিশু এজনে শব্দ আৰু বাক্যবোৰ পঢ়িবলৈ উদাহৰণস্বৰূপে ছবিৰ সৈতে থকা শব্দ বা বাক্য সাধু আৰু পঠন কৰা বিষয়বস্তুৰ সাৰমৰ্ম ক'বলৈ শিকিব। তাৰোপৰি পাঠ্যপুথিত থকা বিষয়বস্তুসমূহ পঢ়ি আয়ত্ত কৰিবলৈ শিকিব।

**১০.৪.৩ লিখন ঃ**

লিখন দক্ষতাৰ পৰিমাপৰ সময়ত শিশুজনে চিঠি এখন লিখোতে আখৰবোৰ আৰু সাধাৰণ শব্দবোৰ লিখিবলৈ সমৰ্থ হৈছেনে চাব লাগে। তাৰ পিছত তেওঁলোকক নিজে নিজে আনৰ সহায় নোলোৱাকৈ চিঠি লিখা বা শব্দ লিখা আদি কাম কৰিব দিব লাগে। লাহে লাহে তেওঁলোকক পঢ়ি বা আনে কোৱা কথাৰ ভিত্তিত শব্দ অথবা বাক্যৰ দ্বাৰা প্ৰশ্নোত্তৰ কৰিব দিব লাগে। পিছৰ পৰ্যায়ত তেওঁলোকে নিজে দুই তিনিটা বাক্যৰ সহায়ত বৰ্ণনা কৰা আৰু আগতে কোৱা অপৰিচিত শব্দবোৰ লিখিবলৈ সমৰ্থ হ'ব।

**১০.৪.৪ প্ৰকাশভংগী ঃ**

এই দক্ষতাৰ ভিত্তিত শিক্ষাৰ্থীয়ে বস্তু আৰু ঘটনাৰ (যিবোৰ দেখিছে) ওপৰত ছবি অংকন কৰিব পাৰিব। তাৰ পিছত তেওঁলোকে নিজৰ ছবি মুক্তভাৱে অংকন কৰা, কবিতা, গল্প আৰু ঘটনা পঢ়ি তাক অংগী-ভংগীৰ সহায়ত ব্যক্ত কৰা ইত্যাদি কৌশলবোৰ প্ৰকাশ কৰিব। পোৱা মাটি বা আন সামগ্ৰীৰ সহায়ত বস্তু বনোৱা আদিৰ কাৰ্যৰো মূল্যায়ন কৰিব পাৰো। সাধু সজা আৰু গল্প ব্যাখ্যা কৰা ইত্যাদি ক্ৰিয়াবোৰো পৰিমাপ কৰিব পৰা যায়।

**উন্নতিৰ খতিয়ান— ৩**

১. গতিশীলতা বা প্ৰবাহ (fluency) মানে কি?

ক) শুদ্ধভাৱে বাক্য উচ্চাৰণ কৰা

খ) ত্ৰুটিপূৰ্ণ লিখনি

গ) খোকোজা নলগাকৈ কৰা কথন, পঠন আৰু লিখন

ঘ) ব্যাকৰণৰ নিয়মবোৰ আসোঁৱাহপূৰ্ণ কৰা

২. শিশু এজনৰ বোধগম্যতা সহ পঠন ক্ৰিয়া মূল্যায়ন কৰিবলৈ কি ক্ৰিয়াকলাপ দিব পাৰি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. কথন আৰু শ্ৰৱণ ক্ৰিয়া মূল্যাংকন কৰা সময়ত কি কথা মনত ৰাখিব লাগে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**১০.৫ ভাষা শিক্ষাৰ মূল্যায়নৰ পদ্ধতি ঃ**

ভাষা মূল্যায়ন কৰা প্ৰধান উপায় হ'ল মৌখিক আৰু লিখিত পৰীক্ষা। প্ৰশ্নকাকতসমূহ সাধাৰণতে পাঠ্যপুথি আৰু মুখস্থ বিদ্যাৰ ওপৰত ভিত্তি কৰি যুগুত কৰা হয়; ভাষাৰ দক্ষতা আৰু ভাষাৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰি নহয়। নতুন মূল্যায়ন পদ্ধতিত মৌখিক প্ৰকাশভংগী, কল্পনাশক্তি, পৰ্যবেক্ষণ শক্তি আদি কৌশল অন্তৰ্ভুক্ত। National Curriculum Frame work 2005-য়েও মূল্যায়ন পদ্ধতিৰ পৰিৱৰ্তনত গুৰুত্ব প্ৰদান কৰিছে। ভাষা শিক্ষাৰ পদ্ধতিসমূহ তলত দিয়া ধৰণৰ—

**১০.৫.১ মৌখিক পৰীক্ষা ঃ**

মৌখিক পৰীক্ষা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক হ'ব পাৰে। বিভিন্ন বিষয়ৰ ওপৰত ল'ৰা-ছোৱালীক অৱগত কৰোৱা (কোৱা) প্ৰশ্ন সোধা, দলীয়া আলোচনা অনুষ্ঠিত কৰা, বিভিন্ন চৰিত্ৰ ৰূপায়ন কৰা, মুকাভিনয় কৰা ইত্যাদিবোৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ অংগ। এইবোৰ ক্ৰিয়া-কলাপৰ মাজত ভাষাৰ দক্ষতা মূল্যায়ন কৰা হয়। তলত দিয়া আনুষ্ঠানিক ক্ৰিয়া-কলাপবোৰ অনুষ্ঠিত কৰিব পৰা যায়।

**প্ৰশ্নোত্তৰ শিতান ঃ**

ইয়াত ল'ৰা-ছোৱালীক প্ৰশ্নোত্তৰত অংশ ল'বলৈ দিয়া হয়। প্ৰাৰম্ভিক প্ৰশ্ন সদায় সকলো ল'ৰা-ছোৱালীয়ে উত্তৰ কৰিব পৰা বিধৰ হ'ব লাগে। এই প্ৰশ্নবোৰ তেওঁলোকৰ দৈনন্দিন জীৱন, তেওঁলোকৰ অভিজ্ঞতা, আগ্ৰহ আৰু প্ৰয়োজনৰ ওপৰত হ'ব লাগে। এই ক্ষেত্ৰত শিক্ষকজন পৰীক্ষক হিচাপে ল'ৰা-ছোৱালীক তেওঁৰ ধাৰণাবোৰ সংগঠিত কৰিবলৈ আৰু ব্যক্ত কৰিবলৈ যথেষ্ট পৰিমাণে সুবিধা দিব লাগে। শিক্ষকজনৰ ভাল প্ৰশ্ন কৰাৰ সমৰ্থতা আৰু কৌশল থকা প্ৰয়োজন। এই প্ৰশ্নোত্তৰ শিতানত শিশুৰ শব্দভাণ্ডাৰ উচ্চাৰণ আৰু বাক্য গঠনৰ দক্ষতা মূল্যায়ন কৰিব পাৰে।

**গল্প কোৱা ঃ**

শিশুৱে নিজে পঢ়া বা শুনা গল্প বা সাধু নিজৰ ভাষাৰে ক'বলৈ দিয়াটো মূল্যায়নৰ এটা দৰকাৰী অংশ। সাধুটো তেওঁলোকে নিজে সৃষ্টি কৰা হ'বও পাৰে। মূল্যায়ন কৰা সময়ত আমি এই উদ্দেশ্য মনত ৰাখি তেওঁলোকৰ প্ৰকাশভংগী, উপস্থাপন, ঘটনাৰ ধাৰাবাহিকতা আদি গুণবোৰ পৰিমাপ কৰিব পাৰো।

**সৰব পঠন ঃ (ডাঙৰকৈ পঢ়া)**

শিশুৰ সৰব পঠন কৌশল মূল্যায়ন কৰিবৰ বাবে উচ্চাৰণ, লয়, যতি, শব্দভেদে জোৰ দিয়া যাতে অৰ্থৰ সম্পষ্টতা থাকে আদি কথাবোৰত গুৰুত্ব দিব লাগে। এই পৰীক্ষাত বিভিন্ন আৱেগ (সুখ, দুখ, খং ইত্যাদি) ভাষা পাঠ্যপুথি, কথোপকথনৰ সৰু-বৰ অংশ, নাটকৰ এটা ভাগ আৰু পাঠ্যপুথিৰ এটা অংশ পাঠ্য হিচাপে সৰৱ পঠন কৰিব দিব লাগে। যদি শিশুজনে পঠনৰ সময়ছোৱাত ভালদৰে উচ্চাৰণ কৰিব নোৱাৰে আৰু প্ৰশ্নবোধক বা ভাববোধক বাক্যৰ যথোপযুক্ত প্ৰকাশভংগী দেখুওৱাব নোৱাৰে তথাপি তেওঁলোকক পঠন ক্ৰিয়াৰ মাজত বাধা দিব নালাগে। এই কাৰ্যই শিক্ষাৰ্থীৰ মনত ভয় আৰু অনিচ্ছাৰ ভাব জন্মায়। উচ্চাৰণৰ শুদ্ধতা আৰু শুদ্ধ কথনৰ উন্নতিৰ ক্ষেত্ৰত শিক্ষকজনে কেনেকৈ শিশুক পৰিচালনা কৰিছে সেইটো নিৰ্ভৰ কৰে। দেখি থকা, শুনি থকা আৰু পঢ়ি অহা কথাবোৰ বৰ্ণনা কৰা ইত্যাদি ভাষা-দক্ষতা মূল্যায়নৰ ক্ষেত্ৰত বৰ্ণনা কৰা বৰ প্ৰয়োজনীয়। প্ৰাথমিক শ্ৰেণীত শিশুক কিছুমান

বস্তু দেখুৱাই, ছবি দেখুৱাই আৰু চিনাকি কার্য কিছুমান দেখুৱাই সেইবোৰ বৰ্ণনা কৰিব দিব লাগে। প্ৰাৰম্ভিক সময়ত বৰ্ণনা এটা বাক্যৰ দ্বাৰা আৰম্ভ হ'ব লাগে।

**উন্নতিৰ খতিয়ান— ৪**

১. যদি শিশুজনে ভালদৰে উচ্চাৰণ কৰিব নোৱাৰে, অথবা প্ৰশ্নবোধক আৰু ভাববোধক চিনত দক্ষতা দেখুৱাব নোৱাৰে তেতিয়া শিক্ষকজনে কি কৰা উচিত?

ক) লগে লগে বাধা প্ৰদান কৰিব লাগে

খ) উচ্চাৰণ ঠিক কৰিব লাগে

গ) একেটা শব্দক বাৰে বাৰে উচ্চাৰণ কৰিব দিব লাগে

ঘ) লগে লগে বাধা প্ৰদান কৰিব নালাগে

২. প্ৰশ্নোত্তৰ শিতানত কেনেকুৱা প্ৰশ্ন সোধা উচিত?

....................................................................................................

....................................................................................................

....................................................................................................

৩. এখল খেল পথাৰৰ ছবি দিয়া হ'ল। ছবিখনলৈ চাই দ্বিতীয় আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে কি ক'ব?

....................................................................................................

....................................................................................................

....................................................................................................

### ১০.৫.২ পৰ্যাবেক্ষণ (observation ঃ

যেতিয়া তুমি শ্ৰেণীত পাঠদান কৰা, শিক্ষাৰ্থীসকলক অনানুষ্ঠানিকভাৱে পৰ্যাবেক্ষণ কৰি থাকিবা। এই (ৰেকৰ্ডে) পৰ্যাবেক্ষণে ভাষাৰ দক্ষতা আৰু প্ৰকাশভংগীৰ সমৰ্থতা মূল্যায়ন কৰাত সহায় কৰিব। আমি নম্বৰ বা গ্ৰেড দিয়াৰ সলনি, ৩ বা ৫টা পৰিমাপ স্কেল ল'ব পাৰো। তলত বাকচ কৰি দিয়া হ'ল—

| বৰ্ণনা | ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|---|
| শব্দৰ জ্ঞান | | ✓ | | | |
| স্বতস্ফূৰ্ততা | | | | ✓ | |
| বাক্যগাঠনি | | | ✓ | | |
| প্ৰকাশভংগী | | | | | ✓ |

বাকচত (৫) পইণ্ট হৈছে সৰ্বোত্তম আৰু (৩) পইণ্ট হৈছে সাধাৰণ। (২) আৰু তাৰ তলৰ পইণ্টত থকা শিশুক এই দক্ষতা বৃদ্ধিৰ বাবে আৰু বেছি সুযোগ দিয়া উচিত।

**শ্ৰুতলিপি ঃ**

শ্ৰুতলিপি ভাষা দক্ষতা পৰিমাপৰ এক আহিলা। কথন আৰু শ্ৰৱণ কৌশল মূল্যায়ন কৰাৰ বাবে ই এক দৰকাৰী পদ্ধতি। কিন্তু পৰম্পৰাগত শ্ৰুতলিপিতকৈ ই বেলেগ হোৱা উচিত। বৰ্তমান শ্ৰুতলিপি শিক্ষাৰ্থীৰ সমৰ্থতা জোখাৰ পৰীক্ষা নহৈ ভাষা শিক্ষাৰ আহিলা হিচাপেহে গণ্য কৰা হয়। শ্ৰুতলিপিয়ে শ্ৰৱণ বোধগম্যতা আৰু লিখন দক্ষতা মূল্যায়ন কৰাত আৰু শিক্ষাৰ্থীৰ স্তৰ অনুযায়ী সমৰ্থতা গঢ়ি তোলাত সহায় কৰে।

তৃতীয় শ্ৰেণীৰ পৰা শ্ৰুতলিপি অনুশীলনৰ কৌশল হিচাপে ল'ব পাৰি। এই ক্ষেত্ৰত দফা নিৰ্বাচন কৰোতে যথেষ্ট সতৰ্কতা অৱলম্বন কৰা উচিত। আমি সম্পূৰ্ণ এটা দফা নিৰ্বাচন কৰিব লাগে আৰু চাব লাগে যাতে দফাটোত অৰ্থ সম্পূৰ্ণভাৱে ফুটি উঠিছে। শিক্ষাৰ্থীতকৈ এটা স্তৰ ওপৰত থকা দফা নিৰ্বাচন কৰিব লাগে যাতে আমি শিক্ষাৰ্থীজনে শ্ৰেণীত নিজাকৈ কিমানখিনি শিকিছে চাব পাৰো।

শ্ৰুতলিপি দিয়া প্ৰক্ৰিয়াটোক ধুনীয়াকৈ সজাব লাগে আৰু নিৰ্দিষ্ট সময়ৰ অন্তৰালত দিব লাগে। তলত কিছুমান নিয়ম দিয়া আছে।

**পৰ্যায় ১ ঃ**

শিক্ষকজনে সাধাৰণ গতিত লয়, বিৰাম আৰু প্ৰকাশভংগীৰ সহায়ত নিৰ্বাচিত দফাটো পঢ়ি শুনাব লাগে। শিক্ষাৰ্থীসকলে প্ৰথমতে দফাটো নিলিখাকৈ মন দি শুনিব। ইয়াত শিক্ষাৰ্থীসকলে দফাটোৰ অৰ্ন্তনিহিত অৰ্থ বুজিবলৈ চেষ্টা কৰিব আৰু মানসিকভাৱে লিখিবলৈ সাজু হ'ব।

**পৰ্যায় ২ ঃ**

পিছত শিক্ষকে আগতকৈ অলপ কম গতিত দফাটো পঢ়িব যাতে শিক্ষাৰ্থীসকলে সহজে লিখিব পাৰে।

**পৰ্যায় ৩ ঃ**

শিক্ষকজনে পুনৰায় ধীৰ গতিত ডাঙৰকৈ দফাটো পঢ়িব। ইয়াত শিক্ষাৰ্থী কৰা ভুলবোৰ ঠিক কৰিব পাৰিব আৰু কৈ যোৱা শব্দবোৰ লিখাত সহায় হ'ব।

প্ৰতিটো পঠন ৬-৮ মিনিটৰ অন্তৰালত সম্পন্ন হ'ব।

**উন্নতিৰ খতিয়ান— ৫**

(১) শ্ৰৱণ আৰু কথন মূল্যায়ন কৰাৰ দৰকাৰী উপায়টো হ'ল—

(ক) কথন (খ) শ্ৰৱণ (গ) কথন আৰু শ্ৰৱণ দুয়োটাই

(ঘ) শ্ৰুতলিপি

২. মৌখিক পৰীক্ষাৰ সময়ত কি কি দক্ষতাৰ মূল্যায়ন কৰা হয়?

.....................................................................................................

.....................................................................................................

.....................................................................................................

৩. এজন শিক্ষক প্ৰশিক্ষাৰ্থীয়ে বন্ধুৰ সৈতে কথা পাতি ক'লে— 'শিশুজনে যিখিনি লিখিছে সম্পূৰ্ণ শুদ্ধ, কিন্তু দিয়া শব্দবোৰ প্ৰয়োগ কৰা নাই, গতিকে মই কি কৰা উচিত? শিশুজনৰ নম্বৰ হ্ৰাস কৰা উচিতনে? তুমি এই শিক্ষকজনক কি উত্তৰ দিবা?

.....................................................................................................

.....................................................................................................

.....................................................................................................

৪. শ্ৰুতলিপিৰ বিষয়ে নতুনকৈ কি জানিব পাৰিলা? আলোচনা কৰা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

**১০.৬ প্ৰবন্ধ, কবিতা আৰু নাটক মূল্যায়ন কৰাৰ প্ৰক্ৰিয়া ঃ**

এতিয়ালৈকে আমি শিশুৰ সমৰ্থতা মূল্যায়নৰ উপায়/পথ আলোচনা কৰিলো। এতিয়া আমি প্ৰবন্ধ, কবিতা আৰু নাটকৰ ক্ষেত্ৰত কেনেকুৱা মৌখিক আৰু লিখিত পৰীক্ষা ল'ব পাৰি আৰু কেনেকুৱা প্ৰশ্ন যুগুতাব পাৰি তাক আলোচনা কৰিম। তলত কেইটামান উদাহৰণ দিয়া হ'ল—

**১০.৬.১**

**দফা ঃ**

**হেৰোৱা শব্দ বিচৰা পৰীক্ষা (Cloze Test) ঃ**

ভাষাৰ দক্ষতা মূল্যায়ন কৰাৰ বাবে হেৰোৱা শব্দ বিচৰা পৰীক্ষা এটা ভাল উপায়। সকলো ধৰণৰ ভাষা সামৰ্থতা, দক্ষতাৰ স্তৰ জোখাৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পাৰি। এই পৰীক্ষাত, শিশুক শব্দৰ সৈতে পাঠ্যৰ যোগান ধৰা হয়। শব্দবোৰ আঁতৰাই পুনৰাবৃত্তি কৰি আকৌ দিয়া হয় আৰু খালী ঠাইত

পূৰ কৰিবলৈ দিয়া হয়।

**হেৰোৱা শব্দ বিচৰা পৰীক্ষা প্ৰস্তুতি (Cloze Test Preparation) ঃ**

পৰীক্ষাৰ বাবে নিৰ্বাচন কৰা দফাটো সম্পূৰ্ণ আৰু স্পষ্ট হ'ব লাগে। দফাটো মনোগ্ৰাহী আৰু প্ৰত্যাহ্বানপূৰ্ণ হ'ব লাগে। দফাটোৰ প্ৰথম শাৰীটো একে থাকিব আৰু দ্বিতীয় শাৰীটোৰ পৰা প্ৰত্যেক ৫ম/৬ষ্ঠ/আৰু ৯ম শব্দকেইটা উহ্য ৰাখিব। বিষয়-বস্তুৰ শেষৰ বাক্যটো একে ৰখা হ'ব। প্ৰতিবাৰ পৰীক্ষাত অন্ততঃ ২০টা খালী ঠাই থাকিব লাগিব। উহ্য ৰখা শব্দবোৰ নিৰ্বাচন কৰাৰ বাবে এক বিশেষ শ্ৰেণীৰ শব্দ বাচিব পাৰে। উদাহৰণস্বৰূপে, অকল ক্ৰিয়া, বিশেষ্য, সৰ্বনাম বা বিশেষণ ইত্যাদি শব্দবোৰ প্ৰক্ৰিয়াৰ দ্বাৰা উহ্য ৰাখিব পাৰি। এই পদ্ধতিয়ে শিশুৰ বিশেষ উপাদানবোৰ চিনাক্ত কৰাৰ সমৰ্থতা বঢ়োৱাত সহায় কৰে, আমাক শিক্ষাৰ কৌশল গঠন কৰাত সহায় কৰে।

প্ৰথমতে শিশুক ভালদৰে দফাটো ৩-৪ বাৰ পঢ়ি লৈ তাৰ পিছত খালী ঠাই পূৰ কৰিবলৈ দিব লাগে।

তেওঁলোকক প্ৰতিটো খালী ঠাইত মাত্ৰ এটাকৈ বহুৱাবলৈ নিৰ্দেশ দিব লাগে। তৃতীয় শ্ৰেণীৰ পৰা এই পৰীক্ষাটো ল'ব পাৰি। শিক্ষকে অনুশীলন কৰাৰ বাবে শিক্ষাৰ্থীক বহুবাৰ সুযোগ দিব লাগে আৰু ক্ৰমে পৰীক্ষাটো জটিল কৰি আনিব লাগে। হেৰোৱা শব্দ বিচৰা পৰীক্ষাটোত (Cloze Test) মূল্যায়ন কৰাৰ দুটা পদ্ধতি আছে। প্ৰথমটোত মাত্ৰ সেই শব্দটো শুদ্ধ বুলি মূল্যায়ন কৰিব লাগে যিটো খালী ঠাইত শব্দ বহুওৱা পাঠ্যৰ লগত হুবহু মিল আছে। দ্বিতীয় পদ্ধতি হ'ল খালী ঠাইত বহুওৱা শব্দটো পাঠ্যত থকা শব্দটোৰ সমাৰ্থক শব্দ হ'ব লাগিব। 'হেৰোৱা শব্দ বিচৰা' (Close Test) পৰীক্ষাৰ এটা উদাহৰণ দাঙি ধৰা হ'ল—

এটা পুখুৰীত থকা কাছ আৰু ওচৰৰে এটা গুহাত থকা শিয়াল খুব ভাল বন্ধু আছিল। এদিনাখন পুখুৰীৰ পাৰত সিহঁতে এইটো সেইটো কথা পাতি থাকোতে এটা ঢেকীয়াপতীয়া বাঘ তাত আহি পালে। শিয়ালটোৱে ভয়তে লৰ মাৰিলে। কাছটো যিহেতু লাহে লাহে যায় সি দৌৰিব বা পলাব নোৱাৰিলে। এক কামোৰ মাৰি ঢেকীয়াপতীয়াই তাক মুখত ভৰাই লৈ দুপৰীয়াৰ আহাৰ হিচাপে খাবলৈ গছ এডালৰ তল পালেগৈ। কিন্তু কাছৰ ডাঠ আৱৰণৰ বাবে তাৰ তীক্ষ্ণ দাঁত আৰু চোকা নখৰ আঁচোৰে তাক আঘাত কৰিব নোৱাৰিলে। শিয়ালটোৱে তাৰ গুহাৰ পৰা বাঘটোক যুঁজি থকা দেখিছিল আৰু কাছটোক বচোৱাৰ কথা ভাবি আছিল। সেইবাবে সি বাঘটোৰ ওচৰলৈ আহি অতি নম্ৰভাৱে আৰু নিৰ্দোষিতাৰে ক'বলৈ ধৰিলে, 'মই এই কাছটোৰ আৱৰণখন অতি সহজে ভাঙিবলৈ এটা উপায় জানো। তাক পানীত দলিয়াই দিয়া আৰু সেই পানীয়ে তাৰ কঠিন আৱৰণখন কেইমিনিটমানৰ ভিতৰতে ঢিলা কৰি তুলিব। চেষ্টা কৰা।

মূৰ্খ বাঘটোৱে ক'লে, 'মই সেইটো ভবাই নাছিলো। ভাল পৰামৰ্শ দিলা' আৰু কাছটো পানীত দলিয়াই দিলে। কাছই ইয়াতকৈ বেছি আৰু কি বিচাৰিছিল?

**বিশেষ্য, বিশেষণ, সৰ্বনাম আদি শব্দবোৰ উহ্য ৰাখি (Cloze Test)**

**হেৰোৱা শব্দ বিচৰা পৰীক্ষা ঃ**

এটা পুখুৰীত থকা কাছ আৰু ওচৰৰে গুহাত থকা শিয়াল এটা খুব ভাল বন্ধু আছিল। এদিনাখন যেতিয়া পুখুৰীৰ পাৰত সিহঁতে (১) __________ আৰু সেইটো কথা পাতি আছিল, এটা (২) __________ তাত উপস্থিত হৈছিল। শিয়ালটোৱে ভয়তে (৩) __________ । দুৰ্ভগীয়া কাছটো লুকাবলৈ আৰু (৪) __________ (৫) __________। এক কামোৰ মাৰি, ঢেকীয়াপতীয়াটোৱে (৬) __________ মুখত ভৰাই গছ এডালৰ (৭) __________ (৮) __________ দুপৰীয়াৰ আহাৰ হিচাপে খাবলৈ লৈ গ'ল। কিন্তু তাৰ তীক্ষ্ণ দাঁত নাইবা (৯) __________ নখে (১০) __________ কঠিন আৱৰণখনত আঘাত কৰি নোৱাৰিলে। (১১) __________ বাঘটোক (১২) __________ গুহাৰ পৰাই চাই যুঁজি থকা চাই আছিল আৰু কাছটোক বচাব (১৩) __________ ভাবি আছিল। সেইবাবে সি (১৪) __________ আহি ঢেকীয়াপতীয়াক অতি নম্ৰভাৱে আৰু (১৫) __________ ক'লে, মই এটা সহজ (১৬) __________ জানো কঠিন আৱৰণখন ভাঙিবৰ (১৭) __________ বাবে (১৮) __________ পানীত ডুবি যাব আৰু (১৯) __________ তাৰ আৱৰণখন (২০) __________ মিনিট মানৰ ভিতৰত ঢিলা কৰি দিব চেষ্টা কৰা।

মূৰ্খ ঢেকীয়াপতীয়া (২১) __________ মই সেইটো ভবাই নাছিলো। ইমান (২২) __________পৰামৰ্শ দিলা আৰু কাছক পুখুৰী (২৩) __________ দলিয়াই দিলে। কাছটোক আৰু ইয়াতকৈ বেছি কি লাগে।

**দফাটোৰ মূল্যাংকনৰ বাবে ক্ৰিয়াকলাপ ঃ**

- তোমাৰ নিজৰ ভাষাত সাধুটো লিখা
- সাধুটোৰ এটা নাম দিবা

এই কাৰ্যত শিক্ষকে শিক্ষাৰ্থীক ক'ব কি কাৰণে সাধুটোৰ এটা নাম দিব লাগে আৰু নাম যথোপযুক্ত হ'ব।

**গঠনমূলক প্ৰশ্ন ঃ**

এই কাৰ্যটো দলীয়ভাৱে আৰু ব্যক্তিগতভাৱে কৰিব পাৰি। যদি দলত কৰা যায় তেন্তে এটা দলে প্ৰশ্ন গঠন কৰিব আৰু আন এটা দলে উত্তৰ দিব। তলত প্ৰশ্নৰ কিছুমান উদাহৰণ দিয়া হ'ল।

(১) শিয়ালটোৱে কিয় ভয় খাই দৌৰিছিল?

(২) শিয়ালটোৱে কিয় কাছটোক পানীত দলিয়াই দিবলৈ কৈছিল?

(৩) ঢেকীয়াপতীয়া বাঘটো কিয় কাছটোক খামুচি ধৰিছিল?

(৪) ঢেকীয়াপতীয়াক কিয় 'মূৰ্খ' বুলি কোৱা হৈছে?

(৫) ঢেকীয়াপতীয়া আৰু শিয়ালটোৰ কথোপকথনখিনি নিজৰ ভাষাত লিখা।

(৬) ফকৰা যোজনা (সাথৰ) আৰু জতুৱা ঠাঁচ (ideoms)-বোৰ চিনাক্ত কৰি নতুনকৈ বাক্য গঠন

কৰা।

(৭) গল্পটো কথোপকথনৰ ৰূপত পৰিৱৰ্তন কৰা।

শিক্ষাৰ্থীক গল্পটোৰ আৰু বেলেগ বেলেগ দৃশ্য লিখিবলৈ ক'ব পাৰি। দলীয়ভাৱে কামটো কৰিবা।

**১০.৬.২**

**কবিতা**

(শিক্ষকে কবিতাটি অসমীয়াত/মাতৃভাষাত ভাঙনি কৰি দিব।)

up and down and all around,
There's my shadow on the ground.
Doning everything I do,
Instead of one, he makes two
When I run along the beach.
There he is within my reach
When I build Sand Castles fine
There are his went to mine
When I climb high in a tree,
Still he tries to follow me.
But lose him in the Shade
Can it be that he's afraid

May Pynchon

১. তলত দিয়া প্ৰশ্নবোৰৰ সহায়ত মূল্যায়ন কৰিব পৰা যায়—

(১) ৰাজেশৰ বিশেষ বন্ধু কোন?

(২) ৰাজেশৰ বন্ধুজন নিশাটো ক'ত আছিল?

(৩) তোমাৰ তেনেকুৱা বন্ধু আছেনে?

(৪) তোমাৰ ছাঁটোৱে তুমি যি কৰা সেইটো কৰেনে?

২. শুদ্ধ উত্তৰত ✓চিন দিয়া।

(১) ৰাজেশৰ ছাঁ গঠন হয় যেতিয়া—

(ক) তাৰ ওপৰত বৰষুণ পৰে

(খ) যেতিয়া তাৰ ওপৰত পোহৰ পৰে

(গ) যেতিয়া আন্ধাৰ হয়

(ঘ) ওপৰৰ এটাও নহয়

(২) তেওঁ ছাঁটো হেৰুৱাই যেতিয়া তেওঁ—

(ক) সাগৰৰ পাৰত থাকে

(খ) পথাৰত থাকে

(গ) বাগিছাত থাকে

(ঘ) ছাঁত থাকে

৩. শ্ৰেণীত অভিনয় কৰোৱা ঃ

(১) বগোৰা মানে ওপৰলৈ যোৱা বা উৰ্দ্ধগমন

তুমি কেনেকৈ বগোৰা অভিনয় কৰিবা

৪. যেতিয়া এটা গতিশীল পোহৰ পৰে ছাঁ এটাই কেনেকুৱা আচৰণ কৰে তাক অভিনয় কৰি দেখুওৱা।

৫. ছাঁটোৱে কি কৰে তাক বুজাবলৈ কবিতাটো কি কি শব্দ ব্যৱহাৰ কৰা হৈছে?

৬. ছাঁৰ কাৰ্য ঃ

(ক) ছাঁ কেনেকৈ গঠন হয় তুমি জানানে?

যেতিয়া পোহৰ কোনো বস্তুৰ দ্বাৰা বাধা প্ৰাপ্ত হয় তেতিয়া ছাঁ গঠন হয়। চেষ্টা কৰি চাব পাৰা।



(খ) তুমি তোমাৰ ছাঁটো দেখিবলৈ কেনেকুৱা হ'ব জানিব বিচাৰানে? বাৰু তুমি তোমাৰ ছাঁ অংকন কৰিব পাৰা।

(১) এখন উকা কাগজ লোৱা আৰু বেৰত আঠা লগোৱা।

(২) বেৰখনৰ সন্মুখত থিয় দিয়া।

(৩) কাৰোবাক তোমাৰ ওপৰত টৰ্চ্চৰ পোহৰ মাৰিব দিয়া।

(৪) আন এজনক তোমাৰ ছাঁটো উকা কাগজখনত অংকন কৰিব দিয়া।



**১০.৬.৩ নাটক ঃ**

আমি কোনো নাটকৰ দৃশ্যত অভিনয় কৰাব পাৰো অথবা নাটকৰ Script লিখিব পাৰো। শিক্ষাৰ্থীয়ে লিখা ডায়লগ (dialogue)-ত তেওঁ প্ৰকাশ কৰিব বিচৰা কথাখিনি স্পষ্ট হৈছেনে নাই সেইটোৰ ওপৰত শিক্ষাৰ্থীজনে Scriptখনত কিমান মূল্যাংকন পাব সেইয়া নিৰ্ভৰ কৰিব। আমি শিক্ষাৰ্থীৰ ভাব বা ধাৰণা ব্যাখ্যা কৰিবলৈ সমৰ্থ হৈছেনে সেইটো চাব লাগে। মূল নাটকত ব্যৱহাৰ হোৱা শব্দতকৈ বেলেগ শব্দ ব্যৱহাৰ কৰিব পাৰিছেনে? ডায়লগবোৰ সৰল, চমু আৰু মনোগ্ৰাহী হৈছেনে ইত্যাদি কথাবোৰ নাটক এখনৰ মূল্যায়নৰ প্ৰধান দিশ।

**ৰাম, গায়ক/গায়ক ৰাম ঃ**

চৰিত্ৰ ঃ ক) ৰাম, এভাগ গায়ক

খ) মধু, ৰামৰ ঘৈণীয়েক

গ) ওচৰ্চুবুৰীয়া

ৰাম ঃ হাৰমনিয়ামটো লৈ গানৰ অনুশীলন কৰিব।

Do, Re, Me, Fa, So, La, Te, Do

প্ৰথম ওচৰ-চুবুৰীয়া ঃ (ৰামৰ ঘৈণীয়েকক) মধু, ৰামক গান গোৱা বন্ধ কৰিবলৈ দিয়া। মোৰ মূৰটো বিষাইছে।

২য় চুবুৰীয়া ঃ তেওঁ নিজকে ভাল গায়ক বুলি ভাবে কিন্তু তেওঁ বেসুৰা।

৩য় চুবুৰীয়া ঃ তেওঁ গাব নাজানে। ভেকুলীৰ নিচিনা টোৰটোৰায়।

৪ৰ্থ চুবুৰীয়া ঃ তেওঁ আচলতে বিৰক্তিকৰ।

(ওচৰ-চুবুৰীয়াকেইজন ওলাই যাব।)

ৰাম ঃ (নিৰবচ্ছিন্নভাৱে গাই যাব)

Doe, a deer, a female deer

Ray– A Drop of golden Sun.

Me– A Name, I call myself...

প্ৰথম চুবুৰীয়া ঃ আমাৰ সকলো অনুৰোধ কলাৰ কাণতহে পৰিল।

২য় চুবুৰীয়া ঃ আমি তেওঁক এটা শিক্ষা দিয়া উচিত।

৩য় চুবুৰীয়া ঃ ......

৪ৰ্থ চুবুৰীয়া ঃ (তেওঁৰ গাত জোতা দলিয়াব)

ৰাম ঃ এই গাঁৱৰ কোনেও মোৰ গুণক (বুদ্ধিক) প্ৰশংসা নকৰে।

মধু ঃ (পাকঘৰৰ পৰা ওলাই আহি) চিন্তা নকৰিবা। তুমি গান গাই যোৱা। সেই মানুহজনে দ্বিতীয়পাত জোতাও দলিয়াব, আৰু আমাৰ এযোৰ জোতা হ'ব।

(১) নাটকখনৰ বাবে আৰু কি ধৰণৰ নাম/শিৰোনামা তুমি দিব বিচাৰিবা?

(২) নাটকখনৰ কোনটো চৰিত্ৰ তুমি প্ৰশংসা কৰা? কিয়?

(৩) (ক) ৰামৰ ঘৈণীয়েকৰ নাম কি?

(খ) মধুৱে ৰামৰ গান উপভোগ কৰেনে?

(৪) চতুৰ্থ চুবুৰীয়াজনে ৰামক এপাত জোতা দলিয়াই দিলে। ধৰি লোৱা জোতাপাত ৰামৰ মুখত পৰিল। তাৰ পিছত কি হ'লহেঁতেন? নাটকখন ডায়লগৰ ৰূপত সম্পূৰ্ণ কৰা।

(৫) তুমি আৰু তোমাৰ বন্ধুৰ মাজত কিবা খেল খেলাৰ কথা লৈ হোৱা কথোপকথন লিখা।

(৬) কোনোবাই তোমাৰ দৈনন্দিন জীৱনত সমস্যা সৃষ্টি কৰাক লৈ এটা দফা লিখা। তুমি কেনেকৈ শান্তিপূৰ্ণভাৱে সেই সমস্যাৰ সমাধান কৰিবা?

(৭) দলত নাটকখন অভিনয় কৰোৱা।

**বুধিয়ক/ধূৰ্ত ভোলা ঃ**

চৰিত্ৰ ঃ ভোলা, এজন গাঁৱলীয়া মানুহ

ভোলাৰ ঘৈণীয়েক, দীয়া

ভোলাৰ সন্তান

দাবু ডকাইত

সূত্ৰধাৰ ঃ এদিনাখন ভোলা ওচৰৰ এখন গাঁৱলৈ গৈছিল। তেওঁ এখন গভীৰ হাবি পাৰ হ'ব লাগিছিল। হঠাতে এটা মাত শুনি তেওঁ থমকি ৰৈছিল।

দাবু ঃ ৰবা, ৰবা মই কৈছো ৰ'বা। যদি তুমি লৰচৰ কৰা মই গুলীয়াই দিম।

দিব্যা ঃ আমি দুখীয়া মানুহ। আমাৰ লগত একো নাই।

দাবু ঃ বুৰ্বক। সকলোৱে সেইটো কয়। মোক তোমালোকৰ ওচৰত যি আছে দিয়া অন্যথা মই তোমালোকক মাৰি পেলাম।

ভোলা ঃ নহয় নহয়। আমাক এৰি দিয়া। মই মোৰ পাৰ্ছটো দিম।

দাবু ঃ হাঁ! হাঁ! হাঁ! চোৱা মই কেনেদৰে তোমালোকক মূৰ্খ বনালো। এই বন্দুকটোত বুলেট নাই। হাঁ হাঁ হাঁ হাঁ!

ভোলা ঃ হাঁ! হাঁ! হাঁ! হাঁ হাঁ!

দাবু ঃ তুমি কিয় হাঁহিছা?

ভোলা ঃ মইও তোমাক মূৰ্খ বনালো। মোৰ পাৰ্ছত অলপো পইছা নাই।

দাবু ঃ কি!

ভোলা ঃ তুমি ভাবিছা তুমি নিজে বহুত বুধিয়ক। হাঁ! হাঁ! হাঁ! হাঁ।

(১) নাটকখনৰ বাবে আৰু কি শিৰোনামা দিব বিচাৰিবা?

(২) যদি তুমি ভোলা হ'লাহেঁতেন তুমি তেনেকুৱা পৰিস্থিতিত কি কৰিলাহেঁতেন?

(৩) (ক) দাবুয়ে তাৰ লগত কি লৈ ফুৰে। কিয়?

(খ) দিব্যাই কিয় কৈছিল যে সিহঁত দুখীয়া মানুহ?

(৪) ধৰিলোৱা দাবুই ভোলাই মূৰ্খ বনোৱাৰ পিছত কিছু বুলেট উলিয়ালে। তেনে পৰিস্থিতিক

লৈ ডায়লগৰ সৈতে নাটকখন সম্পূৰ্ণ কৰা।

(৫) নাটকখন গল্পৰ আকাৰত লিখা।

(৬) দলত নাটকখন অভিনয় কৰোৱা।

**উন্নতিৰ খতিয়ান— ৬**

(১) শিক্ষাৰ্থীৰ সকলো ভাষা দক্ষতা জোখাৰ উপায় কি?

(ক) ৰচনা লিখন (খ) গল্প লিখন

(গ) পৰীক্ষা (ঘ) শ্ৰুতলিপি

২. 'হেৰোৱা শব্দ বিচৰা' (Cloze Test) পৰীক্ষা সম্বন্ধে তুমি কি বুজিছা?

.................................................................................................................

.................................................................................................................

.................................................................................................................

৩. হেৰোৱা শব্দ বিচৰা পৰীক্ষা (Cloze Test) অনুষ্ঠিত কৰিবলৈ কি কথা মনত ৰখা উচিত?

.................................................................................................................

.................................................................................................................

.................................................................................................................

৪. এটা দফা বা এটা পাঠ পঞ্চম শ্ৰেণীৰ বাবে লোৱা, হেৰোৱা শব্দ বিচৰা পৰীক্ষা (Cloze Test) তৈয়াৰ কৰা আৰু শ্ৰেণীত ভাষাৰ দক্ষতা খালী ঠাই বিচাৰিবলৈ ইয়াক ব্যৱহাৰ কৰা।

.................................................................................................................

.................................................................................................................

.................................................................................................................

৫. ল'ৰা-ছোৱালীবোৰক দলীয়ভাৱে এখন নাটকৰ কিছু দৃশ্য উপস্থাপন কৰিবলৈ কোৱা আৰু তেওঁলোকৰ আত্মবিশ্বাস, প্ৰকাশভংগী চাবলৈ গণনা জোখ (Rating Scale) ব্যৱহাৰ কৰা আৰু সেইমতে ভাগ কৰা।

.................................................................................................................

.................................................................................................................

.................................................................................................................

## ১০.৭ সামৰণি ঃ

এই পাঠটিত আমি বৰ্তমান পদ্ধতি আৰু মূল্যায়নৰ (উপায়) পথ সম্পৰ্কে পঢ়িলো। মূল্যায়নে অকল পাঠ্যপুথিৰ বিষয়-বস্তুকেই পৰিমাপ নকৰে। আন দিশসমূহৰ বোধগম্যতাও বিচাৰ কৰে। ই প্ৰশংসা বোধগম্যতাৰ পৰিৰ্বৰ্তনৰ মূল্যায়ন আৰু দক্ষতা বৃদ্ধি হোৱাটোও বিচাৰে। মূল্যায়ন প্ৰক্ৰিয়াটো গোটেই বছৰটো ধৰি চলিব লাগে আৰু বিভিন্ন স্তৰত হ'ব লাগে। মূল্যায়ন প্ৰক্ৰিয়াটো ভালদৰে হিচাপ (record) ৰখাৰ প্ৰয়োজন আৰু শিক্ষাৰ্থীসকলক তেওঁলোকৰ বিশেষ প্ৰয়োজন, শিকনৰ ভিন্নতা আৰু শিকন পৰিৱেশৰ ওপৰত ভিত্তি কৰি শিকাৰ সুবিধা দিব লাগে। এই পাঠটিত মাত্ৰ কেইটামান পৰামৰ্শ দিয়া হৈছে। তলত সেইবোৰ দিয়া হ'ল। তুমি তোমাৰ অভিজ্ঞতাৰ ভিত্তিত আৰু কিছু পৰামৰ্শ দিব পাৰা—

(১) পাঠ্যপুথিৰ জ্ঞানতকৈ শিশুৰ সামৰ্থ গুণৰ ওপৰত ভিত্তি কৰি মূল্যায়ন কৰিব লাগে।

(২) প্ৰাথমিক স্তৰত স্বতঃস্ফূৰ্তত (fluency) শুদ্ধতা (accurecy)-তকৈ বেছি অগ্ৰাধিকাৰ পায়।

(৩) ভিন্ন সামৰ্থতা গুণ জুখিবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ প্ৰয়োজন নাই। এটা কাৰ্যৰ (ক্ৰিয়াৰ) দ্বাৰাই শিশুৰ ভিন্ন সামৰ্থ্য গুণৰ মূল্যায়ন কৰিব পৰা যায়।

(৪) মূল্যায়ন পদ্ধতিয়ে শিশুক তেওঁলোকৰ প্ৰয়োজন আৰু শিকাৰ ভিন্নতা গুণৰ ওপৰত নিৰ্ভৰ কৰি শিকাৰ সুবিধা দিয়ে।

(৫) মূল্যায়ন গোটেই বছৰ ধৰি চলি থাকে আৰু শিশুৰ কাৰ্যৰ সকলোবোৰ দিশ সামৰি লয়।

## ১০.৮ উপৰঞ্চি পঠন আৰু পাঠ্য (Suggested Reading and References) ঃ

1. NCERT. 2009, Manual for pssesment. NCERT, New Delhi.

2. NCERT. 2008, Understanding of Reading. NCERT, New Delhi.

3. Vidya Bhaean Society. 2009. Kites Stories, Books for Classes 1 to 8. New Delhi, Macmillan.

## ১০.৯ পাঠভিত্তিক ক্ৰিয়াকলাপ ঃ

(১) বৰ্তমান মূল্যায়ন পদ্ধতিত শিক্ষাৰ্থী, অভিভাৱক, আৰু শিক্ষকে কি কি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

(২) মূল্যায়ন পদ্ধতিয়ে শিক্ষকক শিক্ষণ আঁচনি (Teaching plan) নিৰূপন কৰাত কেনেদৰে সহায় কৰে।

(৩) এজন শিশুৰ উন্নতিক আন এজন শিশুৰ সৈতে কিয় তুলনা কৰা অনুচিত?

(৪) প্ৰাথমিক স্তৰত স্বতঃস্ফূৰ্ততা (খোকোজা নলগাকৈ কোৱা) (fluency) অথবা শুদ্ধতা (accuracy) কোণটোক বেছি গুৰুত্ব দিয়া হয়?

(৫) ভাষা শিক্ষাত মূল্যায়নৰ প্ৰধান দিশসমূহ কি কি? যিকোনো এটা দিশত মূল্যায়ন পদ্ধতিটো বহলাই আলোচনা কৰা।

**Assignment ঃ**

তৃতীয় শ্ৰেণীৰ কিতাপ এখনৰ পৰা এটা গল্পৰ সৰু অংশ, এটা কবিতা আৰু এখন নাটক লৈ মূল্যায়নৰ বা যথোপযুক্ত প্ৰশ্ন প্ৰস্তুত কৰা।